# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 10-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঝাৰখণ্ডত বিজয় সংকল্প অভিযান উপলক্ষে সমবেত জনতাক সম্বোধন কৰে।

২। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ঝাৰখণ্ডত আয়োজিত জনসভাত সবকা সাথ সবকা বিকাশ ভাৱাদৰ্শৰ প্ৰতি বিজেপি, এন ডি এ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰে।

৩। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে কাইলৈ নতুন দিল্লীত ছদিনীয়া ভাৰতীয় কাৰিকৰী আৰু অৰ্থনৈতিক সহযোগিতা কাৰ্যকৰী ক্ষমতা নিৰ্মাণ কাৰ্যসূচী আৰম্ভ কৰিব।

৪। নৌবাহিনীৰ চাবমেৰিন আই এন এছ ৰেলা ৩ দিনীয়া কাৰ্যসূচীৰে আজি কলম্বোত উপস্থিত হয়। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি দক্ষিণ আফ্ৰিকাৰ এবেখাত অনুষ্ঠিত হ'ব।

০০০

ঝাৰখণ্ডৰ বোকাৰোত চন্দনক্যাৰী বিধানসভা সমষ্টিত বিজয় সংকল্প অভিযান সম্বোধন কৰি ভাৰতীয় জনতা পাৰ্টীৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে উজ্বলা যোজনাৰ পাছত ঝাৰখণ্ডে অতি সোনকালে নলযোগে সুলভ গেছ লাভ কৰিব। তেতিয়া জনসাধাৰণে গেছ চিলিণ্ডাৰৰ পিছত ঘুৰিবলগীয়া নহ'ব।

গগো দিদি যোজনাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এই আঁচনিৰ অধীনত মহিলাসকলে তেওঁলোকৰ একাউণ্টত পোনপটীয়াকৈ ধন লাভ কৰিব। ঝাৰখণ্ডত শূন্য বৈদ্যুতিক মাছুল আঁচনিৰ বিষয়ে ঘোষণা কৰি তেওঁ কয়, যে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামুলীয়া বিদ্যুৎ আঁচনিৰ অধীনত সৌৰ পেনেল স্থাপন কৰিবলৈ চৰকাৰে প্ৰথমে ৭০ ৰ পৰা ৮০ হাজাৰ টকালৈ প্ৰদান কৰিব। ইয়াৰ পাছত অতিৰিক্ত বিজুলীও ক্ৰয় কৰা হ'ব।

বাইট

০০০

ঝাৰখণ্ডত কাইলৈ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্ত পৰিব। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে দলীয় প্ৰাৰ্থীসকলৰ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে গুমলা আৰু বোকাৰোত আয়োজিত জনসভাত সমবেত লোকসকলক সম্বোধন কৰে। শ্ৰীমোদীয়ে সবকা সাথ সবকা বিকাশ ভাৱাদৰ্শৰ প্ৰতি বিজেপি, এন ডি এ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি দোহাৰে। তেওঁ কয়, যে এই পথ অনুসৰণ কৰি ঝাৰণখণ্ডৰ লগতে দেশে উল্লেখযোগ্য বিকাশৰ দিশে অগ্ৰসৰ হ'ব পাৰিব। তদুপৰি শ্ৰীমোদীয়ে ঝাৰখণ্ড মুক্তি মৰ্চা আৰু কংগ্ৰেছক সমালোচনা কৰি কয়, যে ৰাজ্যখনৰ প্ৰগতিৰ সৈতে দলকেইটাৰ লক্ষ্যৰ কোনো সামঞ্জস্য নাই। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাগীৰ দৰে শস্যসমূহৰ উৎপাদন তথা বিক্ৰী বৃদ্ধি কৰাৰ উদ্দেশ্যে পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনত কৃষি বিকাশ আশা কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। কৃষকসকলক সমৰ্থন যোগোৱাৰ লগতে তেওঁলোকৰ স্বাৰ্থৰ হকে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ঝাৰখণ্ড বিজেপিক তেওঁ প্ৰশংসা কৰে। সন্ধিয়াৰ ভাগলৈ শ্ৰীমোদীয়ে ৰাছীত এখন ৰোডশ্ব'ত অংশগ্ৰহণ কৰাৰ কথা। জে এম এমৰ জ্যেষ্ঠ

নেতা তথা মুখ্যমন্ত্ৰী হেমন্ত চোৰেণেও ৰাছীত আয়োজিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীচোৰেণে বিজেপি দলক সমালোচনা কৰি কয়, যে তেওঁৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাৰ অপব্যৱহাৰ কৰা হৈছে। ঝাৰখণ্ডৰ জনসাধাৰণে এই কাৰ্যকলাপসমূহ নিবিড়ভাৱে পৰ্যবেক্ষণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে সমাগত নিৰ্বাচনত জনতাই বিজেপিক উপযুক্ত প্ৰত্যুত্তৰ দিব। ঝাৰখণ্ড বিজেপিৰ নেতা বাবুলাল মাৰান্দিয়ে মুখ্যমন্ত্ৰী চোৰেণৰ অভিযোগ খণ্ডন কৰি কয় যে, কেন্দ্ৰীয় সংস্থাসমূহে কেৱল নিজৰ দায়িত্বহে পালন কৰিছে। উল্লেখযোগ্য যে অহা বুধবাৰে ৰাজ্যখনত প্ৰথম পৰ্যায়ত ৪৩ টা বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত অহা ২০ নৱেম্বৰত ৩৮ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

আনহাতে, কোদেৰমাত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত আৰ জে দিৰ মুৰববী লালুপ্ৰসাদ যাদৱৰ সৈতে প্ৰগতিৰ নামত প্ৰধানমন্ত্ৰী মোদীয়ে জনসাধাৰণক বিপথে পৰিচালিত কৰা বুলি অভিযোগ তোলে। তেওঁ ভোটদাতাসকলক ঝাৰখণ্ডৰ অবিৰত বিকাশৰ বাবে আই এন দি আই মিত্ৰজোটক সমৰ্থন কৰিবলৈ আহ্বান জনায়। ইপিনে, পালামোত আয়োজিত এখন জনসভাত এল জে পি আৰৰ সভাপতি চিৰাগ পাচোৱানে মুখ্যমন্ত্ৰী হৈ থকা কালত হেমন্ত চোৰেণে জনসাধাৰণক মিছা প্ৰতিশ্ৰুতি দিয়া বুলি অভিযোগ তোলে। শ্ৰীপাছোৱানে কয়, যে জে এম এম নেতাই ভোটবেংকৰ স্বাৰ্থত বাংলাদেশী অনুপ্ৰৱেশকাৰীক সুৰক্ষা দিছে।

০০০

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে বিদেশ মন্ত্ৰালয়ৰ সহযোগত কাইলৈৰ পৰা নতুন দিল্লীত ৬ দিনীয়া ভাৰতীয় কাৰিকৰী আৰু অৰ্থনৈতিক সহযোগিতা কাৰ্যকৰী ক্ষমতা নিৰ্মাণ কাৰ্যসূচী আৰম্ভ কৰিব। এই কাৰ্যসূচী অহা ১৬ নৱেম্বৰত অন্ত পৰিব। এই কাৰ্যসূচীত মালদ্বীপ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডৰ সৈতে মুঠ ৮ খন দেশৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিষয়া আৰু অন্যান্য সকলে অংশগ্ৰহণ কৰিব।

আয়োগে কয়, যে এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে বিভিন্ন ক্ষেত্ৰত মানৱ অধিকাৰৰ প্ৰসাৰ বৃদ্ধি কৰা তথা সংৰক্ষণ আৰু শক্তিশালী কৰা। আয়োগে লগতে কয় যে এই কাৰ্যসূচীয়ে মানৱ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ সৈতে জড়িত উত্তম পদ্ধতি, অভিজ্ঞতা আৰু ধাৰণাসমূহ ভাগবাটোৱাৰা কৰাৰ বাবে এখন মঞ্চ আগবঢ়াব।

০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই জনজাতীয় গৌৰৱ দিৱস উপলক্ষে অহা বুধবাৰে চত্তিশগড়ৰ জছপুৰত মাই ভাৰত য়ুথ ভলেনটিয়াৰ্ছে আয়োজন কৰা পদযাত্ৰাত অংশগ্ৰহণ কৰিব। চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইৰ লগতে ৰাজ্যখনৰ আন আন মন্ত্ৰীসকলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে দেশৰ প্ৰগতিত জনজাতীয় সম্প্ৰদায়ৰ তাৎপৰ্যপূৰ্ণ বৰঙণি তথা বীৰচা মুণ্ডাৰ ঐতিহ্যক সন্মানিত কৰা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে জনজাতীয় ঐতিহ্য উদযাপিত হোৱাৰ লগতে সৰ্বাত্মক অন্তৰ্ভুক্তিৰ সংবৰ্ধন আৰু দেশজুৰি জনজাতীয় সম্প্ৰদায়সমূহক উপকৃত কৰাৰ হকে থকা চৰকাৰী আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০

নৌবাহিনীৰ চাবমেৰিন আই এন এছ ৱেলা ৩ দিনীয়া কাৰ্যসূচীৰে আজি কলম্বোত উপস্থিত হয়। শ্ৰীলংকাৰ নৌবাহিনীয়ে চাবমেৰিণখন আনুষ্ঠানিকভাৱে আদৰে। এই সময়ছোৱাত শ্ৰীলংকাৰ নৌবাহিনীৰ বিষয়া তথা চাবমেৰিণখনৰ কৰ্মচাৰীসকলৰ মাজত বিভিন্ন দলীয় অনুশীলন কৰা হয়। থলুৱা কলৱৰি শ্ৰেণীৰ ডিজেল, বৈদ্যুতিক চাবমেৰিণ আই এন এছ ৱেলা ২০২১ চনৰ নৱেম্বৰত মুকলি কৰা হৈছিল। কাৰ্যক্ষমতাৰ বিকাশৰ হকে থকা বিশেষ কাৰ্যসূচীৰ অংশ হিচাপে এই পদক্ষেপ হাতত লোৱা হৈছে। অহা বুধবাৰে কলম্বো এৰাৰ পূৰ্বে চাবমেৰিণখনৰ সুবিধাসমূহ সম্পূৰ্ণ কৰি তোলা হ'ব। শ্ৰীলংকালৈ নৌবাহিনী আৰু উপকূলৰক্ষী বাহিনীৰ জাহাজ তথা

চাবমেৰিণসমূহৰ  নিয়মীয়া আহ্-যাহৰ জৰিয়তে দুয়োখন সামুদ্রিক ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্রত গুৰুত্বপূৰ্ণ অগ্রগতি সাধিত হৈছে। আই এন এছ্ ৰেলা কলম্বোত উপস্থিত হোৱাৰ জৰিয়তে দেশৰ চুবুৰীয়া প্ৰথম নীতি তথা প্ৰধানমন্ত্ৰীৰ সাগৰ অৰ্থাৎ অঞ্চলটোত সকলোৰে সুৰক্ষা আৰু বিকাশ পদক্ষেপ  প্ৰতিফলিত হৈছে। ইয়াৰ জৰিয়তে সামুদ্রিক নিৰাপত্তা তথা আঞ্চলিক যোগাযোগ শক্তিশালী হব বুলি আশা কৰা হৈছে।

০০০

জম্মু কাশ্মীৰৰ শিখ সহযোগিতা সমিতিৰ অধ্যক্ষ এছ্ অজিত সিঙৰ নেতৃত্বত এটা প্ৰতিনিধি দলে উপৰাজ্যপাল মনোজ সিনহাক আজি জম্মুৰ ৰাজভৱনত সাক্ষাৎ কৰে। দলটোৱে কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ শিখ সম্প্ৰদায়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰি এলানি দাবী উত্থাপন কৰে। এই দাবীসমূহৰ ভিতৰত শ্ৰীনগৰত মহাৰাজা ৰণজিত সিঙৰ মুৰ্তি প্ৰতিষ্ঠা, পাঞ্জাবী ভাষাৰ সংবৰ্ধন, পাহাৰী স্থানীয় গোটত যোগ্য শিখ জনসাধাৰণৰ অন্তৰ্ভুক্তি অন্যতম। তদুপৰি অধ্যক্ষগৰাকীয়ে উধমপুৰৰ ৰামনগৰৰ চেৰ মঞ্জ্লা ঐতিহাসিক গাঁৱত গুৰুদ্বাৰা চাহিবৰ পুনৰ নিৰ্মাণৰ বাবে ভূমি আৱণ্টনৰ প্ৰয়োজন সন্দৰ্ভতো আলোকপাত কৰে। অতি সংবেদনশীলতাৰে সম্প্ৰদায়টোৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ সমাধা কৰাৰ প্ৰতি প্ৰদৰ্শন কৰা আন্তৰিক প্ৰচেষ্টাৰ বাবে অধ্যক্ষগৰাকীয়ে উপৰাজ্যপাল সিনহাৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। উপৰাজ্যপালগৰাকীয়ে প্ৰতিনিধি দলটোক নিশ্চিতি প্ৰদান কৰি কয় যে, এই সমস্যা সমাধানৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০

চলচ্চিত্ৰ জগতৰ থিৰু দেলহী গণেশৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাৰ জৰিয়তে শ্ৰীমোদীয়ে কয়, যে প্ৰবীন তামিল অভিনেতাগৰাকীৰ অভিনয় প্ৰতিভা আছিল অনবদ্য। প্ৰতিটো ভূমিকাতে তেওঁৰ গভীৰ অভিনয় চিৰস্মৰণীয় হৈ  থাকিব বুলি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰজন্মৰ পৰিধি ভাঙি তেওঁ সকলো দৰ্শকৰ অন্তৰ স্পৰ্শ কৰিব পাৰিছিল।

০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি দক্ষিণ আফ্ৰিকাৰ এবেখাত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। ভাৰতে শুকুৰবাৰে অনুষ্ঠিত প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ তৃতীয়খন খেল বুধবাৰে চেঞ্চুৰিয়ানত আৰু চতুৰ্থ তথা অন্তিমখন খেল শুকুৰবাৰে জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

০০০

ঃঃ সমাপ্ত ঃঃ